(ছ) ধৰ্ম সম্বন্ধে লক্ষ্মীনাথ বেজবৰুৱাই কি মন্তব্য আগবঢ়াইছে, লিখা।

(জ) ''সংস্কৃতিৰ অবিচ্ছিন্ন ধাৰাই হৈছে ভাৰতীয় জীৱনৰ মূল সম্পদ।'' 'ভাৰতীয় সংস্কৃতি' পাঠটিৰ আধাৰত ব্যাখ্যা কৰা।

(ঝ) শংকৰদেৱৰ সম্পৰ্কে জ্যোতিপ্ৰসাদ আগৰৱালাৰ ধাৰণা কেনে আছিল, উল্লেখ কৰা।

৪। তলত দিয়া যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) শ্ৰীকৃষ্ণৰ 'পূৰ্বৰাগ' পাঠটোৰ আলমত ৰুক্মিণী আৰু শ্ৰীকৃষ্ণৰ পূৰ্বৰাগৰ প্ৰকাশ কেনেদৰে হৈছিল, বৰ্ণনা কৰা।

(খ) 'গুৰুসেৱা মাহাত্ম্য' পাঠটোৰ লেখক কোন? পাঠটোৰ মূল কথাখিনি চমুকৈ লিখা।

(গ) ''ভাৰতীয় সংস্কৃতি এক বিৰাট সমন্বয়ৰ বস্তু।'' কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) ব্ৰাউন চাহাবৰ পত্ৰৰ আধাৰত 'অৰুণোদই'ৰ গদ্যৰীতিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) সমালোচনা সাহিত্য বুলিলে কি বুজা? সমালোচনা সাহিত্যৰ বৈশিষ্ট্য বা লক্ষণসমূহৰ বিষয়ে আলোচনা আগবঢ়োৱা।

★★★





**2022**

( Held in 2023 )

ASSAMESE

Paper : ASMHC3076

**( Introduction to Assamese Prose and Criticism )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) শ্ৰীকৃষ্ণৰ 'পূৰ্বৰাগ' নামৰ পাঠটি শংকৰদেৱৰ কোনখন নাটৰ পৰা তুলি দিয়া হৈছে?

*(i)* পাৰিজাত হৰণ

*(ii)* ৰুক্মিণী হৰণ

*(iii)* ৰাম বিজয়

*(iv)* ওপৰৰ এটাও নহয়

(খ) কুণ্ডিলৰ পৰা দ্বাৰকালৈ যোৱা বিপ্ৰগৰাকীৰ নাম হ'ল

*(i)* বেদনিধি

*(ii)* গুণনিধি

*(iii)* সুদামা

*(iv)* দয়ানিধি

(গ) তলৰ কোনখন গ্ৰন্থ ভট্টদেৱৰ দ্বাৰা ৰচিত ?

(i) কথা ভাগৱত

(ii) ভক্তি ৰত্নাৱলী

(iii) ভক্তি প্ৰদীপ

(iv) ওপৰৰ আটাইকেইখন

(ঘ) অসমীয়া গদ্যসাহিত্যৰ জনক বুলি কাক জনা যায় ?

(i) শংকৰদেৱ

(ii) হৰিদেৱ

(iii) ভট্টদেৱ

(iv) মাধৱ কন্দলি

(ঙ) 'কীৰ্তন পুথিৰ ৰস বিচাৰ' শীৰ্ষক সমালোচনামূলক গ্ৰন্থখনৰ ৰচক হ'ল

(i) মহেশ্বৰ নেওগ

(ii) শিৱনাথ বৰ্মন

(iii) হীৰেণ গোহাঁই

(iv) মহেন্দ্ৰ বৰা

(চ) অজন্তাৰ ভাস্কৰ্যসমূহ কোনটো যুগৰ কথা সোঁৱৰায় ?

(i) বৈদিক যুগ

(ii) বৌদ্ধ যুগ

(iii) মধ্যযুগ

(iv) আধুনিক যুগ





২। এটা বা দুটা বাক্যত তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ২×৫=১০

(ক) ব্ৰাউন চাহাবে পত্ৰৰ আৰম্ভণিতে কোন দুগৰাকী খ্ৰীষ্টিয়ান ভাইৰ কথা উল্লেখ কৰিছে ?

(খ) 'গীতা তত্ত্ব' পাঠটিত ঈশ্বৰ প্ৰাপ্তিৰ চাৰিটা মুখ্য বাট কি বুলি উল্লেখ কৰা আছে ?

(গ) 'সাহিত্যত করুণ ৰস' শীৰ্ষক পাঠটিত প্ৰবন্ধকাৰে কোন দুই প্ৰকাৰৰ করুণ ৰসৰ আলোচনা কৰিছে ?

(ঘ) ইছলামীয় ভাস্কৰ্যৰ মূল সম্পদ কি ?

(ঙ) শিৱসাগৰ ব্ৰাহ্মণসভাৰ উদ্দেশ্য কি আছিল ?

৩। তলত দিয়া যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) শ্ৰীকৃষ্ণলৈ ৰুক্মিণীয়ে লিখা পত্ৰখনৰ মূল কথাখিনি চমুকৈ নিজৰ ভাষাৰে লিখা।

(খ) কি কি কাৰণত ভট্টদেৱক অসমীয়া গদ্যসাহিত্যৰ পথপ্ৰদৰ্শক বুলি অভিহিত কৰা হয় ? যুক্তি দৰ্শোৱা।

(গ) অসমীয়া ভাষা-সাহিত্যলৈ নাথান ব্ৰাউনৰ অৱদান সম্পৰ্কে চমুকৈ লিখা।

(ঘ) 'সভ্যতা' আৰু 'সংস্কৃতি' শব্দ দুটাৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

(ঙ) অজন্তাৰ গুহাৰ শিল্পকলাৰ এটি বিৱৰণ দিয়া।

(চ) সমালোচনা সম্বন্ধে প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত কি কি পদ্ধতি অনুসৰণ কৰা হৈছে, উল্লেখ কৰা।